# জাপানৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ছেপ্টেম্বৰ 09, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে  2023  চনৰ 9 ছেপ্টেম্বৰত নতুন দিল্লীত অনুষ্ঠিত G-20 সন্মিলনৰ সময়ত জাপানৰ প্ৰধানমন্ত্ৰী মহামহিম শ্ৰী ফুমিও কিছিদাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

2. বৈঠকত নেতাসকলে দুয়োখন দেশৰ নিজ নিজ G-20 আৰু G-7 অধ্যক্ষতাৰ বাবে তেওঁলোকৰ অগ্ৰাধিকাৰৰ ওপৰত গোটেই বছৰজুৰি গঠনমূলক আলোচনাৰ কথা স্বীকাৰ কৰে, বিশেষকৈ গোলকীয় দক্ষিণৰ উদ্বেগ আৰু আকাংক্ষাক সন্মুখলৈ অনাৰ ক্ষেত্ৰত।

3. আন্তঃগাঁথনি উন্নয়ন, প্ৰযুক্তিগত সহযোগিতা, বিনিয়োগ আৰু শক্তিকে ধৰি ভাৰত-জাপান দ্বিপাক্ষিক অংশীদাৰিত্বৰ বিভিন্ন দিশৰ ওপৰত নেতাসকলে আলোচনা কৰে।

4. দুয়োগৰাকী নেতাই ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰীত্ব অধিক গভীৰ কৰাৰ বাবে তেওঁলোকৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে৷

**নতুন দিল্লী**
**ছেপ্টেম্বৰ 09, 2023**